## পাঠ :১৬

## সন্মান - হেমচন্দ্ৰ বৰুৱা

---

### ভাব বিষয়ক :

প্ৰশ্ন ১ । অতি চমু উত্তৰ দিয়া –

( ক ) অধিকাৰ আৰু শাসনকৰ্তা নথকা দেশ এখনে কেনেকুৱা আচৰণ কৰে ?

উত্তৰঃ সেই দেশৰ মানুহে স্বপ্ৰধান হৈ আপোনাৰ ইচ্ছাৰ দৰে আচৰণ কৰে ।

( খ ) ছাতৰে শিক্ষকৰ ধাৰ শুজিব পাৰে নে ?

উত্তৰঃ ছাতৰে শিক্ষকৰ ধাৰ শুজিব নোৱাৰে ।

( গ ) “ তেওঁ দেৱতাৰ দেৱতা , বিধাতাৰো বিধাতা , ৰজাৰ ৰজা ” — ‘ তেওঁ কোন ?

উত্তৰঃ “ তেওঁ দেৱতাৰ দেৱতা , বিধাতাৰো বিধাতা , ৰজাৰ ৰজা ” — ‘ তেওঁ হ'ল-সৃষ্টিকৰ্তা ভগৱান , ঈশ্বৰ ।

( ঘ ) হেমচন্দ্ৰ বৰুৱা কোনখন কাকতৰ সম্পাদক আছিল ?

উত্তৰঃ হেমচন্দ্ৰ বৰুৱা 'আসাম নিউজ ’ কাকতৰ সম্পাদক আছিল ।

( ঙ ) “ হেমকোষ ’ কি ?

উত্তৰঃ “ হেমকোষ ’ হ'ল-অসমীয়া ভাষাৰ অভিধান ।

( চ ) কানীয়া কীৰ্তনৰ বচক কোন ?

উত্তৰঃ কানীয়া কীৰ্তনৰ বচক হ'ল- হেমচন্দ্ৰ বৰুৱা ।

প্ৰশ্ন ২ । “ ঈশ্বৰৰ পাছতে পিতৃ - মাতৃ আমাৰ মাননীয় ; —কথাষাৰ বুজাই লিখা ।

উত্তৰঃ ঈশ্বৰৰ পাছতে পিতৃ - মাতৃ আমাৰ মাননীয় । কাৰণ তেওঁবিলাকেই আমাক জন্ম দিছে আৰু তেওঁলোকৰ পৰাই আমি এই বিচিত্ৰ সংসাৰ দেখিবলৈ পাইছোঁহঁক । আমি যেতিয়া কেঁচুৱা আছিলোঁ , উঠি - পৰি ফুৰিবৰ শক্তি নাছিল , তেতিয়া তেওঁলোকে কত দুখ সহি কোলাত লৈ আমাক তুলিছিল , আমি নাখালে তেওঁলোকেও খাবলৈ ইচ্ছা নকৰিছিল , আমি গাত দুখ পালে বা নৰিয়াত পৰিলে শোকত বিহ্বল হৈ তেওঁলোকে আমাৰ আৰোগ্যৰ নিমিত্তে অহৰহ যত্ন কৰিছিল ; —আনকি আমাৰ মঙ্গলৰ কাৰণে প্ৰাণকো উচৰ্গিবলৈ কুণ্ঠাবোধ নকৰিছিল । আমি অলপ ডাঙৰ হ’লত সিবিলাকে আমাক জ্ঞান - বিদ্যা শিকাই ভাল মানুহ কৰিবলৈ পাৰে মানে যত্ন কৰিছিল আৰু এতিয়াও ধনী , মানী , যশস্বী হলে সিবিলাকৰ আনন্দৰ সীমা নাথাকে ; কিন্তু দুৰ্যশ বা দুৰ্ভাগ্যৰ কথা শুনিলে দাৰুণ আঘাত পায় , আৰু চকু লোতকেৰে পূৰ হয় । তেনে পিতৃ - মাতৃতকৈ মনুষ্যৰ ভিতৰত আন কোনো আমাৰ অধিক মান্য নহয় । সেই কাৰণেই আমি সদায় তেওঁলোকৰ আজ্ঞা মানিব আৰু সিবিলাকক সন্মান কৰিব লাগে । বুঢ়াকালত যাতে তেওঁলোকে শাৰীৰিক আৰু মানসিকভাৱে কোনো কাৰণতে কষ্ট নাপায় তাৰ কাৰণে আমি আমাৰ শক্তি অনুসাৰে পৰিচৰ্যা কৰিব আৰু যত্ন ল’ব লাগে ।

প্ৰশ্ন ৩ । শিক্ষক প্ৰতি ছাত্ৰই মান - সকাৰ কিয় ৰাখিব লাগে ?

উত্তৰঃ কণা মানুহক যিজনে চকু দিয়ে , তেওঁ যে কণাৰ পৰম উপকাৰী আৰু মান্য , তাত একো সংশয় নাই । সেইৰূপে শিক্ষকেও ছাত্ৰক চকু দিয়ে । ছাতৰে চকু থাৰ্কোতেও যি বস্তু নেদেখি আৰু যি কথা নুবুজি কণাৰ নিচিনা হৈ থাকে , শিক্ষকৰ অনুগ্ৰহত চকু মুকলি হৈ সেই কথা দেখিব আৰু বুজিব পৰা হয় । এনে শিক্ষকৰ প্ৰতি যি সন্মান নকৰে , তাৰ সমান অশলাগী আৰু অধম নাই । আমাৰ শাস্ত্ৰত লিখা আছে যে অধ্যাপকে ( শিক্ষকে ) যদি এটি মাথোন আখৰ ছাতৰক শিকায় , তেওঁ পৃথিৱীৰ এনে বস্তু নাই , যাক দি ছাতৰে সেই শিক্ষকৰ ধাৰ শুজিব পাৰে । এতেকে এই কাৰণেই শিক্ষকৰ প্ৰতি ছাত্ৰই মান - সৎকাৰ ৰাখিব লাগে ।

প্ৰশ্ন ৪ । ' সন্মান ’ পাঠটোৰ পৰা তুমি কি শিকিলা ।

উত্তৰঃ সন্মান মানে হৈছে গুণ , পদমৰ্যাদা , জ্যেষ্ঠতা আদিৰ ভিত্তিত লাভ কৰা শ্ৰদ্ধা বা আদৰ । এজনে আনজনৰ প্ৰতি দেখুওৱা আদৰ বা শ্ৰদ্ধাই সন্মান । বিশ্ব-ব্ৰহ্মাণ্ডৰ গৰাকী সৃষ্টি কৰ্তা ঈশ্বৰ , আমাৰ জন্মদাতা আৰু তুলি - তালি ডাঙৰ - দীঘল কৰোতা পিতৃ - মাতৃ , জ্ঞান চকু দিওঁতা শিক্ষাগুৰু , দুষ্টক দমন , শান্তক পালন কৰোঁতা আমাৰ শাসনকৰ্তা সকল , জ্যেষ্ঠজন , বৃদ্ধলোক এই সকলোকে আমাৰ সাধ্যনুসাৰে সন্মান কৰিব লাগে , মান্যতা যাচিব লাগে । এই কথাকেই ‘ সন্মান ’ পাঠটিৰ পৰা শিকিলোঁ ।

## ভাষা বিষয়ক প্ৰশ্নোত্তৰ :

প্ৰশ্ন ১ । তলৰ শ্বদবোৰৰ সমাৰ্থক শ্বদ লিখা ।

নৰিয়া , জগত , লোতক , চকু , হেতু , মান ।

উত্তৰঃ নৰিয়া — ৰোগ , অসুখ ।

চকু — চক্ষু , আখি ।

জগত — ভুৱন ।

হেতু — কাৰণ , কাৰণে , বাবে ।

লোতক — চকুলো ।

মান — শ্ৰদ্ধা , জোখ ।

প্ৰশ্ন ২। বিপৰীত শ্বদ লিখা ।

শ্ৰদ্ধা , শলাগ , আদি , দুষ্ট জ্যেষ্ঠ , ন্যায় ।

উত্তৰঃ শ্ৰদ্ধা — অশ্ৰদ্ধা ।

দুষ্ট — শান্ত ।

শলাগ — অশলাগ , দুৰ্নাম ।

জ্যেষ্ঠ — কনিষ্ঠ ।

আদি — অন্ত ।

ন্যায় — অন্যায় । অশ্ৰদ্ধা ।

শ্বদাৰ্থ :

উত্তৰঃ বিহ্বল — ভয় বা শোকত অতিশয় অস্থিৰ ।

নাস্তিক — ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ নকৰা , নিৰীশ্বৰবাদী ।

শিষ্ট — নম্ৰ ।

মলিন — লেতেৰা , মল থকা , অপৰিষ্কাৰ , স্বাভাৱিক ৰং বা আভা নথকা , ম্লান ।

লোতক — চকুলো , চকুপানী , অশ্ৰু ।

সম্মান — শ্ৰদ্ধা ।

অধিকাৰ – স্বত্ব, হক ।

বিচিত্ৰ – নানা - প্ৰকাৰৰ ।

নৰিয়া – ৰোগ , অসুখ

স্ব প্ৰধান – নিজেই নিজকে ঘাই তথা মুখ্য লোক বুলি ভবা ।

মান্য – মানিব লগীয়া , শ্ৰদ্ধা কৰিব লগীয়া ।